# অসম আদিত্য

৯ ফাগুন, ১৯৪৫ শক ■ বৃহস্পতিবাৰ, ২২ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, February 22, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


ৰ লগত সংগতি ৰাখি ছাত্ৰীসকলৰ মাজত তি আমাৰ দায়িত্ব' শীৰ্ষক এক বক্তৃতা ম্পন্ন হয়। বিভিন্ন বিভাগৰ ভালেসংখ্যক হণ কৰা এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ মহন্তই, দ্বিতীয় স্থান লাভ কৰে জ্যোতিৰ্ময়ী তৃতীয় স্থান অধিকাৰ কৰে জ্যোতি কুমাৰী াগিতাখনৰ বিচাৰকৰ আসন শুৱনি কৰিছিল গাবিন চাংমাই আৰু মহাবিদ্যালয়ৰ হিন্দী অধ্যাপিকা ড০ অদিতি শইকীয়া। অনুষ্ঠানৰ ্যক্তি গোবিন চাংমাই ছাত্ৰীসকলক উদ্দেশি আৰু সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোকপাত কৰে। বিশেষকৈ নৱপ্ৰজন্মৰ টোৰ সঠিক চৰ্চাৰ অবিহনে ভাষাটো টৰ গৰাহত পৰিব সেই বিষয়েও সংশয় ছাত্ৰীসকলক এই মঞ্চৰ পৰাই এক ষ্টিৰ বাবে তেওঁ আহবান জনায়। ৰ অসমীয়া বিভাগ আৰু ভাষা উন্নয়ন ত আয়োজিত এই অনুষ্ঠানটো অসমীয়া পিকা ড০ পূণ্যপ্ৰভা বৰুৱাই আঁত ধৰে।

## সোণালী জয়ন্তী

লক কাৰ্যকৰী সভাপতি, শ্যামলাল চালোকক ৰণ সম্পাদক আৰু অনান্যসকলক প্ৰচাৰ, িকা, সাংস্কৃতিক, শোভাযাত্ৰা, প্ৰতিযোগিতা আদি বিভিন্ন বিভাগত অন্তৰ্ভুক্ত কৰি এখন শক্তিশালী াপন সমিতি গঠন কৰা হৈছে। গতিকে উক্ত সূচী সফল ৰূপায়ণৰ বাবে সদৌটি ৰাইজৰ দিহা- ৰ্শৰ লগতে কায়িক আৰু আৰ্থিক সহায়-সহযোগিতা াপন সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# লেখক, সাহিত্যিক ড° শশীকান্ত শইকীয়ালৈ চিলাৰায় বঁটা

**ডিব্ৰুগড়, ২১ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগত আৰু ডিব্ৰুগড় বাসী ৰাইজৰ সহযোগত ২৩ আৰু ২৪ ফেব্ৰুৱাৰীত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত দুদিনীয়া কাৰ্যসূচীৰে চিলাৰায় দিৱস আয়োজন কৰিছে। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ পতাকা উত্তোলন। উত্তোলন কৰিব আক্ৰাছু, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দিগন্ত শইকীয়াই। চিলাৰায় দিৱসৰ সাংস্কৃতিক পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি বিশ্বজিৎ বড়াই; শ্বহীদ তৰ্পণ কৰিব আক্ৰাছু, ডিব্ৰুগড় জিলা সমিতি সম্পাদক প্ৰাঞ্জল দত্তই আৰু বৃক্ষ ৰোপণ কৰিব ডিব্ৰুগড়ৰ সাংবাদিক কৰুণা ফুকনে। ১০ বজাৰ পৰা বিভিন্ন প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাখনি শুভাৰম্ভ কৰিব, অজিত নেওগ, সেনাধ্যক্ষ, ডিব্ৰুগড় জিলা চিলাৰায় সেনা লগতে জনগোষ্ঠীয় নৃত্য আৰু সৃষ্টিমূলক নৃত্য প্ৰদৰ্শন। দ্বিতীয় দিনা চিলাৰায় প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলনৰ, মাল্যাৰ্পণ আৰু সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে বিয়লিলৈ অনুষ্ঠিত হ'ব মুকলি সভা। মকুলি সভাখন উদ্বোধন কৰিব কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ নৰেন্দ্ৰ মহেলাই। সভাত মুখ্য অতিথি, নিৰ্দিষ্ট বক্তা আৰু বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, জিলা আয়ুক্ত বিক্ৰম কৈৰী, মৰাণ মহাবিদ্যালয়ৰ অধ্যাপক ড০ ৰাজীৱ হাজৰিকা, অধীক্ষক অভিযন্তা প্ৰশান্ত কুমৰা শইকীয়া, শিক্ষয়িত্ৰী মঞ্জুলতা সোনোৱাল গগৈকে প্ৰমুখ্য কৰি বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। সভাত চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি প্ৰশান্ত শইকীয়াৰ সম্পাদনাত প্ৰকাশ পাবলগা স্মৃতিগ্ৰন্থ 'প্ৰবাহমান' উন্মোচন কৰিব সন্মানীয় অতিথি 'অসম আদিত্য'ৰ সম্পাদক মনজিৎ বৰাই। প্ৰথমবাৰ বাবে সদৌ ডিব্ৰুগড় জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাই বীৰজনাৰ দিৱসত শিক্ষা, সাহিত্য-সংস্কৃতিৰ দিশত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা জিলাখনৰ বিশিষ্ট ব্যক্তিক প্ৰতিবছৰে একোটিকৈ চিলাৰায় বঁটা প্ৰদান কৰিব। আনহাতে, ২০২৪ বৰ্ষৰ বাবে বিশিষ্ট সাহিত্যক, শিক্ষাবিদ কানৈ মহাবিদ্যালয় অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক আক্ৰাছু তৰফৰ পৰা নিৰ্বাচিত কৰিছে। ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগা চিলাৰায় দিৱসৰ কাৰ্যসূচীৰ মুকলি সভাত ড০ শশীকান্ত শইকীয়াক এই বঁটা প্ৰদান কৰিব। উক্ত অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে আক্ৰাছু সম্পাদক প্ৰাঞ্জল দত্তই।

# 'মাতৃভাষাৰ মহত্ব পথেৰে অসমীয় শীৰ্ষক বক্তৃত

**ডিব্ৰুগড়, ২১ ফেব্ৰুৱাৰী ঃ** আজি ২১ ফেব্ৰুৱাৰী। আন্তৰ্জাতিক মাতৃভাষা দিৱস। সমগ্ৰ বিশ্বৰ লগতে আজি ডিব্ৰুগড়তো, ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ 'লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহ'ত দিনজোৰা কাৰ্যসূচীৰে 'ডিব্ৰুগড় জিলা লেখিকা সমাজ' আৰু 'ডিব্ৰুগড় সাহিত্য সভা'ৰ সৌজন্যত উদ্‌যাপন কৰা হয় 'আন্তৰ্জাতিক মাতৃভাষা দিৱস'। সেই অনুসৰি দিনৰ ১০.৩০ বজাত অনুষ্ঠানৰ প্ৰাতঃকাৰ্যসূচী ৰূপায়িত হয় বৰেণ্য সাহিত্যিক, পণ্ডিত ড° নগেন শইকীয়াৰ বাসগৃহ 'বৰ্ণমালা'ত ড° চুলতানা হাজৰিকাৰ কবিতা পুথি 'শ্বাসৰুদ্ধ'ৰ উন্মোচনেৰে। অনিতা গগৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানত উপস্থিত থাকে সাৰস্বত ন্যাসৰ সম্পাদক বীৰেন বৰুৱাকে ধৰি দুই চাৰিজন। কবিতা পুথিখন উন্মোচন কৰি সমূহ অসমীয়াকে আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ শুভবাৰ্তা আৰু কবিক অভিনন্দন জনাই প্ৰজ্ঞাৰ সাধকজনাই। নিজ মাতৃৰ প্ৰতি উছৰ্গা কৰা কবিতাপুথিখনৰ উন্মোচনৰ মুহূৰ্তত অসমীয়া ভাষাৰ প্ৰতি